অসম চৰকাৰ
জিলা আয়ুক্ত কাৰ্যালয় :::::: বিশ্বনাথ
(গাঁওপ্ৰধান শাখা)

# নিয়োগ বিজ্ঞাপন

**নং– বি জি বি-৩৮/২০২৪/ ৬৮ তাৰিখ:- ২০/০৭/২০২৬** : এই কাৰ্যালয়ৰ পূৰ্বৰ নিয়োগ বিজ্ঞাপন নং বি জি বি-৩৮/২০২৪/৪৬ তাৰিখ ২৫/০৬/২০২৬ ৰ আংশিক পৰিবৰ্তনত ,অসম চৰকাৰৰ ইংৰাজী ১০-০৪-২০১৮ তাৰিখৰ অধিসূচনা নং-আৰ এল আৰ ১৮৭/ ২০০৭/৩৯, ইং- ১৯-০৭-২০১৯ তাৰিখৰ অধিসূচনা নং আৰ এল আৰ ১৮৭/২০০৭/ পাৰ্ট/২৪ আৰু ইং-২৬-০৮-২০২১ তাৰিখৰ অধিসূচনা নং আৰ এল আৰ ৭৩/২০২০/৩ অনুযায়ী বিশ্বনাথ জিলাৰ অন্তৰ্গত বিশ্বনাথ ৰাজহ চক্ৰৰ অধীনৰ বৰ্তমান খালি হৈ থকা মুঠ ১৫ টা নিম্ন লিখিত গাঁওসমূহত গাঁওপ্ৰধান পদত নিযুক্তি দিবৰ বাবে ইচ্ছুক প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে।

| ক্ৰমিক নং | ৰাজহ চক্ৰৰ নাম | মৌজাৰ নাম | গাওঁৰ নাম | লাট নং | পদৰ সংখ্যা | মাহিলি পাৰিতোষিক |
|---|---|---|---|---|---|---|
| ১ | বিশ্বনাথ | বাঘমৰা | উৰিয়া বস্তি, কালাহান্দি, নপমুৰা | ৮ | ১ | ১৪০০০ |
| ২ | বিশ্বনাথ | বাঘমৰা | ৰতোৰা পথাৰ | ৩ | ১ | ১৪০০০ |
| ৩ | বিশ্বনাথ | বিহালী | বিহমাৰি জাৰণী, কুলাগুৰি জাৰণী, নতুন বিহমাৰি | ৭ | ১ | ১৪০০০ |
| ৪ | বিশ্বনাথ | বিহালী | ৰাংচালি দলনী | ৫ | ১ | ১৪০০০ |
| ৫ | বিশ্বনাথ | বিহালী | হাতিমৰা পথাৰ, চেৰেলিয়া কুঁহিয়াৰবাৰী | ৬ | ১ | ১৪০০০ |
| ৬ | বিশ্বনাথ | বিহালী | শুকানসুতি, মৰাণ গাওঁ | ১,৩ | ১ | ১৪০০০ |
| ৭ | বিশ্বনাথ | বিহালী | বেংগাবাৰি, বেদেতিগুৰি | ৯,৮ | ১ | ১৪০০০ |
| ৮ | বিশ্বনাথ | বিহালী | বৰকঠিয়াবাৰি | ৩ | ১ | ১৪০০০ |
| ৯ | বিশ্বনাথ | সাকোমঠা | তৰাজুলি, নাহৰণী | ১ | ১ | ১৪০০০ |
| ১০ | বিশ্বনাথ | সাকোমঠা | কোচগাঁও | ৬ | ১ | ১৪০০০ |
| ১১ | বিশ্বনাথ | সাকোমঠা | কমাৰজান | ৫ | ১ | ১৪০০০ |
| ১২ | বিশ্বনাথ | বাঘমৰা | ১ নং আৰু ২নং দিছিৰি পথাৰ | ৫ | ১ | ১৪০০০ |
| ১৩ | বিশ্বনাথ | সাকোমঠা | মহজুলি বস্তি, মহালক্ষ্মী, মহজুলি পথাৰ, মুকুৰা বস্তি গাঁও | ১ | ১ | ১৪০০০ |
| ১৪ | বিশ্বনাথ | বিহালী | কাছমাৰি, বিজুলী ঝাৰণী | ৬ | ১ | ১৪০০০ |
| ১৫ | বিশ্বনাথ | বিহালী | কুঁহিয়াৰবাৰী নেপেলী, টেংগাবাৰী, বগৰীসুতি | ১ | ১ | ১৪০০০ |

**প্ৰাৰ্থীৰ নিম্নতম অৰ্হতাসমূহ থাকিব লাগিব :**

১) আবেদনকাৰী ভাৰতীয় নাগৰিক হব লাগিব আৰু নিযুক্তিৰ বাবে আবেদন কৰা গাঁৱৰ অথবা গাওঁ সমূহৰ ভিতৰৰ স্থায়ী বাসিন্দা হব লাগিব।

২) অসম চৰকাৰৰ ইং- ১৯-০৭-২০১৯ তাৰিখৰ অধিসূচনা নং আৰ এল আৰ ১৮৭/২০০৭/ পাৰ্ট/২৪ ৰ মতে আবেদনকাৰীৰ দুজনতকৈ (২ জন) বেছি সন্তান থাকিব নালাগিব ( এই অধিসুচনা জাৰি হোৱাৰ আগতে যি সকলৰ দুজনতকৈ অধিক সন্তান আছিল, তেনে ব্যক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য নহব আৰু যমজ সন্তানৰ ক্ষেত্ৰতো এই নিয়ম প্ৰজোয্য নহব। এই সন্দৰ্ভত আবেদনকাৰীয়ে শপতনামা আবেদনৰ লগত দাখিল কৰিব লাগিব।

৩) আবেদনকাৰীৰ বয়স ইং- ২০-০৫-২০২৬ তাৰিখ মতে নুন্যতম ৩০ বছৰ হব লাগিব আৰু উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা (HSLC) বা অসম চৰকাৰৰ বৰ্ড প্ৰতিষ্ঠানৰ পৰা সমপৰ্য্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হব লাগিব আৰু প্ৰমান পত্ৰ দাখিল কৰিব লাগিব।

ক্ৰমশ: ২

৪) আবেদনকাৰী শাৰীৰিক ভাৱে সক্ষম আৰু মানসিক ভাবে সুস্থ হব লাগিব ।
৫) আবেদনকাৰী আৰ্থিকভাৱে দেৱলীয়া আৰু কোনো চৰকাৰী ধনৰ দেনাদাৰ হব নালাগিব ।
৬) গাঁওপ্ৰধান পৰিয়ালৰ ব্যক্তিক নিযুক্তিৰ ক্ষেত্ৰত অগ্ৰাদিকাৰ দিয়া হব আৰু এই ক্ষেত্ৰত মৌজাদাৰৰ মতামতৰ ওপৰত বিবেচনা কৰা হব ।
৭) আবেদনকাৰী কোনো চৰকাৰী চাকৰীয়াল হব নোৱাৰিব ।
৮) আবেদনকাৰীয়ে গাঁওপ্ৰদাধ হিচাবে নিযুক্তি বিচৰা অঞ্চলত আবেদনকাৰীৰ নিজ নামত ভূমি/স্থাবৰ/অস্থাবৰ সম্পত্তি থাকিব লাগিব .
৯) আবেদনকাৰী কোনো ৰাজনৈতিক দলৰ সদস্য হব নোৱাৰিব ।
১০) আবেদনকাৰী চৰকাৰী নীতি আৰু কাৰ্যসূচী ৰূপায়ন কৰাত আৰু প্ৰাকৃতিক দুৰ্যোগৰ সময়ত স্বেচ্ছামূলক ভাৱে সহযোগীতা আগবঢোৱা হব লাগিব ।
১১) আবেদনকাৰী উচ্চ মৰ্য্যদা সম্পন্ন দক্ষ আৰু সমাজৰ সন্মানীয় স্থিতিত থকা ব্যক্তি হব লাগিব ।

ওপৰত উল্লেখ কৰা অৰ্হতাসমূহ বাধ্যতামূলক। দাখিল কৰা প্ৰমাণপত্ৰ ভুৱা হ'লে প্ৰাৰ্থিত্ব তৎক্ষণাৎ নাকচ কৰা হ'ব আৰু বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**আবেদন দাখিলৰ শেষ তাৰিখ:** **০৫/০৮/২০২৬** তাৰিখ আবেলি ৪.০০ বজালৈকে বিশ্বনাথ আয়ুক্ত কাৰ্যালয়ৰ গাঁওপ্ৰধান শাখাত দাখিল কৰিব পাৰিব।

আয়ুক্ত
বিশ্বনাথ

**স্মাৰক নং- বি জি বি-৩৮/২০২৪/ ৬০ (ক)** **তাৰিখ -** ২০/০৭/২০২৬
ইয়াৰ প্ৰতিলিপি :-
১) ভূমিলেখ্য ও জৰীপ অধিকৰ্ত্তা, অসম, ৰূপনগৰ, গুৱাহাটী-৩২, মহোদয়ৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল ।
২) যুটীয়া সচিব, অসম চৰকাৰৰ ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, দিছপুৰ, গুৱাহাটী-৬ মহোদয়ৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল ।
৩) অতিৰিক্ত আয়ুক্ত, ( ৰাজহ) বিশ্বনাথৰ জ্ঞাতাৰ্থে ও বিহীত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হল ।
৪) জিলা তথ্য আৰু প্ৰযুক্তি বিষয়া (NIC), বিশ্বনাথৰ জ্ঞাতাৰ্থে ও বিহীত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হল ।
৫) জিলা তথ্য আৰু জনসংযোগ বিষয়া (DIPRO) , বিশ্বনাথ । তেখেতক এই নিয়োগ বিজ্ঞাপনখনৰ বহুল প্ৰচাৰৰ বাবে ব্যৱস্থা গ্ৰহন কৰিবলৈ প্ৰেৰণ কৰা হল ।
৬) চক্ৰ বিষয়া, বিশ্বনাথ ৰাজহ চক্ৰ বিষয়াৰ জ্ঞাতাৰ্থে ও বিহীত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হল । তেখেতক এই নিয়োগ বিজ্ঞাপনখনৰ বহুল প্ৰচাৰৰ বাবে সংশ্লিষ্ট মৌজাদাৰ, পঞ্চায়ত সমূহলৈ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰি ৩ দিনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ জনোৱা হল
৭) নাজিৰ, আয়ুক্ত কাৰ্য্যালয়, বিশ্বনাথ । তেখেতক জাৰিকাৰকৰ দ্বাৰা চক্ৰ বিষয়া সকললৈ উক্ত নিয়োগ বিজ্ঞাপনখন জাৰি কৰি ৩ দিনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ জনোৱা হল ।
৮) আয়ুক্ত কাৰ্য্যালয়ৰ জাননী ফলক ।

আয়ুক্ত
বিশ্বনাথ